# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেকসমূহ প্ৰদান কৰিব। ডিব্ৰুগড়ৰ প্ৰায় ২০ হাজাৰ মহিলাক এই চেক প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান এটা আৰম্ভণি বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আত্মসহায়ক গোটৰ সদস্যা সকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ধেমাজি জিলাৰ চিমেন চাপৰিত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ভৱিষ্যতে ৪০ লাখ মহিলাই ৮৫ হাজাৰ টকা পৰ্যন্ত উদ্যমিতা পুঁজি লাভ কৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চিতভাৱে যুগান্তকাৰী পৰিৱৰ্তন আহিব। ড° শৰ্মাই কালি এই আঁচনিৰ অধীনত জোনাই বিধানসভা সমষ্টিৰ ৩৬ হাজাৰ ৮৮৬ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আই কেন্দ্ৰসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ আঁচনিৰ অধীনত ধেমাজি পলিটেকনিক প্ৰতিষ্ঠানত নিৰ্মাণ কৰা মেৰামতি কেন্দ্ৰ আৰু প্ৰযুক্তি গৱেষণাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ড° শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ স্বাস্থ্য অনুদান আঁচনিৰ পুঁজিৰে ধেমাজি জিলাৰ চিমেন চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিছনাযুক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে।

০০০০০০০

ডিব্ৰুগড়ৰ অসম আৰক্ষী চাউনীৰ সমীপৰ বহুমুখী উপযোগিতা ভৱনত কালিৰে পৰা দুদিনীয়াকৈ বিজেপিৰ বৰ্ধিত ৰাজ্যিক কাৰ্য নিৰ্বাহক সভা অনুষ্ঠিত হৈছে। সভাত কালি সমাগত সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হয়। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাষ্ট্ৰীয় সম্পাদক কামাখ্যা প্ৰসাদ তাছা আৰু ৰাজ্যিক প্ৰভাৰী হৰিষ দ্বিবেদীয়ে দলৰ সাংগঠনিক আৰু ৰাজনৈতিক কাৰ্যসূচী সন্দৰ্ভত মাৰ্গদৰ্শন কৰে। সভাৰ অন্তত সাংবাদিকে বগীবিল দলঙৰ নামকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ এই সন্দৰ্ভত চিন্তা-চৰ্চা কৰা হ'ব বুলি মন্তব্য কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ আজি ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত আজি পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। আজি অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক পদ, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক পদ আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল ঘোষণা কৰা হ'ব।

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহো আজি পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০০০০

যোৰহাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত কালি আদি কৰ্মযোগী অভিযান শীৰ্ষক এখন সভা অনুষ্ঠিত কৰা হয়। জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত আদি কৰ্মযোগী অভিযানৰ অংশ হিচাপে গাঁও কাৰ্য পৰিকল্পনাৰ লগতে বিভিন্ন দিশ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কালিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় জৈৱ কীটনাশক সন্মিলন অনুষ্ঠিত হৈছে। মহাৰাষ্ট্ৰৰ এগ্ৰিকালচাৰেল মাইক্ৰ' অৰ্গেনিজিম মেন্যুফেকচাৰাৰ্ছ এণ্ড ফাৰ্মাৰ্ছ এছোচিয়েচন আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত এই সন্মিলন অনুষ্ঠিত হৈছে। এই উপলক্ষে বিশ্ববিদ্যালয়খনৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত কালি আয়োজিত অনুষ্ঠানত উত্তৰ প্ৰদেশৰ এন বি এ আই এমৰ সঞ্চালক ডঃ আলোক কে. শ্ৰীবাস্তৱে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সন্মিলনৰ সমন্বয়ক ধানেশ্বৰ ৰাক্‌চুৱে ৰাসায়নিক সাৰ আৰু কীটনাশকৰ পৰিৱৰ্তে জৈৱিক কীটনাশকৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**